# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-05-2024
**Time :** 1715 Hrs

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি মহাৰাষ্ট্ৰত প্ৰচাৰ চলায়। বিজেপি নেতা অমিত শ্বাহে আজি ওড়িশাত নিজ দলৰ প্ৰাৰ্থীৰ সমৰ্থনত কেইবাখনো নিৰ্বাচনী সমাবেশত ভাগ লয়। দলৰ জ্যেষ্ঠ নেতা তথা লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজি ৰাজ্যখনত নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। ইপিনে দলটোৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডায়েও আজি দলৰ মহিলা কৰ্মীসকলৰ সৈতে এখন বৈঠকত মিলিত হোৱাৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিছে।

আনফালে ৰাহুল গান্ধীয়েও ওড়িশাত নিৰ্বাচনী সভা সম্বোধন কৰাৰ লগতে মটৰ চাইকেল সমদলত অংশ লয়। উল্লেখযোগ্য যে ওড়িশাত এইবাৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো কৰা হ'ব।

বিজেপি নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি ঝাৰখণ্ডত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ৰাজ্যখনৰ গিৰিধত অনুষ্ঠিত এখন জনসভাত মুখ্যমন্ত্ৰীগৰাকীয়ে ক'ডাৰ্মা লোকসভা সমষ্টিৰ জনসাধাৰণক উদ্দেশ্যি ভাষণ দিয়ে।

ooooo

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ আজি ৬৮ সংখ্যক প্ৰতিষ্ঠা দিৱস। ১৯৫৭ চনৰ ১৫ মে'ত প্ৰতিষ্ঠা লাভ কৰা বিভাগটোৱে বিগত ৬৭ বছৰ ধৰি জনসাধাৰণক তথ্য, শিক্ষা আৰু জ্ঞানৰ খোৰাক যোগাই আহিছে। বহুজন হিতায়, বহুজন সুখায় বাণীক সাৰোগত কৰি বিভাগটোৱে শ্ৰোতাক নিৰপেক্ষ আৰু শুদ্ধ তথ্যৰে বাতৰি দিয়াৰ লগতে ভাষাৰ ক্ষেত্ৰত সংযত হৈ গৰিমা বজাই ৰাখি আহিছে। সম্প্ৰতি আঞ্চলিক বাতৰি বিভাগে দৈনিক ৮খন বুলেটিন, ৮টা নিউজ হেডলাইনছ, চাৰিটা প্ৰাসঙ্গিক বিষয়ৰ অনুষ্ঠানৰ উপৰি দিল্লীৰ পৰা প্ৰচাৰিত সাম্প্ৰতিক প্ৰসঙ্গৰ অনুষ্ঠান স্পটলাইটৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰে। অসমীয়া ভাষা শুদ্ধকৈ কোৱা আৰু শিকাৰ ধাৰাবাহিকতা ৰক্ষাৰ প্ৰয়াস চলাই অহা বাতৰি বিভাগটোৱে ২০১৫ চনত শ্ৰেষ্ঠ আঞ্চলিক বাতৰি বিভাগ হিচাপে আৰু একেটা চনতে বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই সাহসী সাংবাদিকতা শিতানত শ্ৰেষ্ঠ সংবাদদাতা হিচাপে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পৰা পুৰস্কাৰ গ্ৰহণ কৰে। তদুপৰি কোভিডৰ সময়ছোৱাত অৰ্থাৎ ২০২১ চনত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ সময়ত কৰা নিৰন্তৰ প্ৰচাৰ আৰু নিৰ্বাচনকেন্দ্ৰিক অথচ নিৰপেক্ষ বাতৰিৰ বাবে ২০২২ চনত বিভাগটোৱে নিৰ্বাচন আয়োগে আগবঢ়োৱা শ্ৰেষ্ঠ সংবাদ মাধ্যমৰ পুৰস্কাৰ লাভ কৰে। জনসজাগতা

সৃষ্টিৰ ক্ষেত্ৰত আঞ্চলিক বাতৰি বিভাগে অব্যাহত ৰখা নিৰলস সেৱাৰ স্বীকৃতি স্বৰূপে ২০২৩ বৰ্ষত চতুৰ্থ ৰাষ্ট্ৰীয় জল পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হয়। কেন্দ্ৰীয় জল শক্তি মন্ত্ৰালয়ে জল সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা সৃষ্টিৰ বাবে আগবঢ়োৱা এই বঁটা বাতৰি বিভাগটোৰে জন্মু-কাশ্মীৰৰ এটাৰ সংস্থাৰ সৈতে যুটীয়াকৈ লাভ কৰিছে। বানৰ সময়ত বিশুদ্ধ পানী সেৱন, ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ খোৱাপানীত ক্ষতিকাৰক আৰ্চেনিক ফ্লৰাইডৰ অৱস্থিতি সন্দৰ্ভত চৰকাৰ প্ৰশাসনে জনস্বাস্থ্যৰ প্ৰতি লক্ষ্য ৰাখি পানী বিশুদ্ধকৰণৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে সেই সন্দৰ্ভত বিভাগে এলানি অনুষ্ঠানত প্ৰচাৰ কৰিছিল। বাতৰি বিভাগৰ পোনপটীয়া ফোন ইন অনুষ্ঠান, দৃষ্টিপাত, সাপ্তাহিক অনুষ্ঠান চলন্তিকা আৰু প্ৰাসঙ্গিকত এই বিষয়সমূহ সামৰি লোৱা হৈছিল। আকাশবাণীৰ বাতৰি সমাজৰ অধিক সংখ্যক শ্ৰোতাৰ মাজলৈ লৈ যোৱাৰ বাবে সামাজিক মাধ্যমতো উপলব্ধ কৰোৱাবলৈ প্ৰয়াস কৰা হৈছে। জনসাধাৰণে News on AIR এপত বাতৰি শুনাৰ লগতে বাতৰি আৰু অন্য অনুষ্ঠান ইউটিউব চেনেল AIR News Guwahati, ফেচবুক পেজ আৰু এক্স হেণ্ডেলতো শুনিব পাৰে। প্ৰতিষ্ঠা দিৱসৰ শুভক্ষণত বাতৰি বিভাগৰ দোষ-ক্ৰুটি আঙুলিয়াই দি সহযোগ আগবঢ়োৱা প্ৰতিগৰাকী সচেতন আৰু সহৃদয় শ্ৰোতালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰা হ'ল।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ১৬ পইণ্ট অৰ্জন কৰা ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ কৰি প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব। উল্লেখযোগ্য যে গুৱাহাটীত অহা ১৯ মে'ত প্ৰতিযোগিতাৰ আন এখন খেলত ৰাজস্থান ৰয়েলছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আজি আৰু অহা ১৯ মে'ত গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত হ'বলগীয়া খেল দুখনৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীৰ যান-বাহন আৰক্ষীয়ে যান-বাহনৰ চলাচলৰ ক্ষেত্ৰত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। এই সময়ছোৱাত শিশু, মহিলা, ছাত্ৰ-ছাত্ৰী, জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম নাগৰিকসকলৰ আহযাহ সুচল হোৱাৰ লগতে জৰুৰীকালীন বাহন যেনে এম্বুলেন্স, স্কুল বাছ, অগ্নি নিৰ্বাপক বাহন আদিৰ চলাচল সুচল হোৱাকৈ এই নিৰ্দেশনা জাৰি কৰা হৈছে। সেই অনুসাৰে আজি আৰু ১৯ মে'ত দিনৰ ৩ বজাৰ পৰা  নিশা ১২ বজালৈ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ গুৱাহাটী মহানগৰীৰ অংশত গধূৰ যান-বাহন আৰু বাণিজ্যিক বাহনৰ চলাচলত নিষেধাজ্ঞা জাৰি কৰা হৈছে। সেই দুয়োটা দিনত গুৱাহাটীৰ আৰ্যনগৰৰ পৰা লখৰা চাৰিআলিলৈ যোৱা পথটো দিনৰ ৩ বজাৰ পৰা ৱানৱে কৰাৰ ব্যৱস্থা কৰা হৈছে। লালগণেশ তিনিআলি অঞ্চলৰ পৰা খেলৰ কাৰ পাছ থকা বাহনকহে বৰ্ষাপাৰালৈ চলাচলৰ অনুমতি প্ৰদান কৰা হৈছে। আনহাতে বৰ্ষাপাৰা তিনিআলিৰ পৰা ধীৰেণপাৰা তিনিআলিলৈও পথছোৱা ৱানৱে হোৱাৰ লগতে খেলৰ কাৰ পাছ থকা বাহনেহে চালাচলৰ অনুমতি দিয়া হৈছে। অৱশ্যে স্থানীয় বাসিন্দাৰ বাহন আৰু জৰুৰীকালীন সেৱাৰ বাহনৰ ক্ষেত্ৰত এই নিষেধাজ্ঞা প্ৰযোজ্য নহয়।

ooooo

সমাপ্ত